**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 07-06-2026**
**Time : 1:40 PM**

***Assamese Midday Bulletin***

**----------------------------**

***Headlines***

১। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয় যে ভাৰত আৰু নেপালৰ জনসাধাৰণৰ প্ৰগতি, সমৃদ্ধি আৰু মংগলৰ বাবে নেপালৰ সৈতে একেলগে কাম কৰিবলৈ নতুন দিল্লী প্ৰতিশ্ৰুতিবদ্ধ।

২। স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰী জে পি নাড্ডাই আজি কৈছে যে সুস্থ ভৱিষ্যতৰ বাবে নিৰাপদ আৰু স্বাস্থ্যসন্মত খাদ্য নিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰ সম্পূৰ্ণ দায়বদ্ধ।

৩। চলিত বৰ্ষৰ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰৰ বাবে ৩১ জুলাইৰ ভিতৰত চৰকাৰে আবেদন আহ্বান কৰিছে। *আৰু*

৪। নিউ চণ্ডীগড়ত চলি থকা ভাৰত আৰু আফগানিস্তানৰ মাজৰ টেষ্ট মেচত ভাৰতে বাতৰি যুগুতোৱাৰ পৰলৈকে প্ৰথম ইনিংছত ১২৭ অভাৰত ৮.টা উইকেট হেৰুৱাই ৫৬৪ ৰান কৰিছে।

0000000

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয় যে ভাৰত আৰু নেপালৰ জনসাধাৰণৰ প্ৰগতি, সমৃদ্ধি আৰু মংগলৰ বাবে নেপালৰ সৈতে একেলগে কাম কৰিবলৈ নতুন দিল্লী প্ৰতিশ্ৰুতিবদ্ধ। নেপালৰ বিদেশ মন্ত্ৰী শিশিৰ খানালক কালি নতুন দিল্লীত সাক্ষাৎ কৰি তেওঁ এইকথা প্ৰকাশ কৰে। এই সাক্ষাৎকালত ২০১৫ চনৰ ভূমিকম্পৰ পিছৰ পুনৰ গঠন কাৰ্যসূচীৰ অধীনত ৭২টা স্বাস্থ্য সুবিধা আৰু ১২টা সাংস্কৃতিক ঐতিহ্য প্ৰকল্প ড০ জয়শংকৰে নেপালৰ বিদেশ মন্ত্ৰীগৰাকীক অৰ্পণ কৰে। এই বৈঠক সন্দৰ্ভত ড০ জয়শংকৰে কয়, যে ভাৰত আৰু নেপালে দুয়োখন দেশৰ সীমান্তৰ নিৰাপত্তাৰ বাবে একেলগে কাম কৰি আহিছে আৰু দুয়োখন দেশে প্ৰয়োজনৰ সময়ত পৰস্পৰে পৰস্পৰক সহযোগিতা আগবঢ়াই আহিছে। দুয়োখন দেশৰ মাজত বিশেষ সম্পৰ্ক আছে বুলি উল্লেখ কৰি তেওঁ নেপাল চৰকাৰৰ সাফল্যৰ বাবে শ্ৰীখানালক শুভেচ্ছা জনায়। তেওঁ কয়, যে বাণিজ্য, বিনিয়োগ, উন্নয়ন সহযোগিতা, শিক্ষা, দুৰ্যোগ সঁহাৰি, শক্তি আৰু সাংস্কৃতিক ক্ষেত্ৰত দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্ক ক্ৰমাগতভাৱে বৃদ্ধি হৈছে। সামাজিক মাধ্যমত এটা পʼষ্টত ড০ জয়শংকৰে কয়, যে দুয়োখন দেশৰ উন্নয়ন সহযোগিতা, যোগাযোগ, শক্তি, জলবিদুৎ উন্নয়ন, শিক্ষা, স্বাস্থ্য, সামৰ্থ্য বিকাশ, ডিজিটেল, সংস্কৃতি আৰু ক্ৰীড়া আদি বিষয়ত বৈঠকত আলোচনা কৰা হৈছে। তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হোৱা নেপালৰ বিদেশ মন্ত্ৰী শ্ৰীখানালে কয়, যে ভাৰত নেপালৰ গুৰুত্বপূৰ্ণ অংশীদাৰ আৰু নেপালে ভাৰতক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিছে। পশ্চিম এছিয়াৰ সংকটৰ সময়ত নেপালক ইন্ধন আৰু সাৰ যোগান ধৰাৰ বাবে শ্ৰীখানালে ভাৰতক ধন্যবাদ জ্ঞাপন কৰে।

0000000

স্বাস্থ্য আৰু পৰিয়ালকল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই আজি সুস্থ ভৱিষ্যতৰ বাবে নিৰাপদ আৰু স্বাস্থ্যসন্মত খাদ্য নিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতাক পুনৰ দৃঢ়ভাৱে ব্যক্ত কৰে। বিশ্ব খাদ্য সুৰক্ষা দিৱস

উপলক্ষে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত তেওঁ নাগৰিকসকলক স্বাস্থ্যকৰ খাদ্যভ্যাস গ্ৰহণ কৰি সুস্থ আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ অৱদান আগবঢ়াবলৈ আহ্বান জনায়। তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সেই আহ্বানক পুনৰ উল্লেখ কৰি কয়, যে ৰন্ধন তেলৰ ব্যৱহাৰ ১০ শতাংশ হ্ৰাস কৰি সুষম আহাৰ গ্ৰহণৰ জৰিয়তে উত্তম স্বাস্থ্য আৰু অধিক শক্তিশালী জাতি হিচাপে নিজকে গঢ়ি তোলা উচিত। প্ৰতি বছৰে সাত জুন তাৰিখে ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থা আৰু বিশ্ব স্বাস্থ্য সংস্থাই ৰাষ্ট্ৰীয় কৰ্তৃপক্ষ, নাগৰিক সমাজ, শিক্ষাবীদ আৰু বিশ্বৰ অন্যান্য অংশগ্ৰহণকাৰীসকলৰ সৈতে মিলিত হৈ বিশ্ব খাদ্য সুৰক্ষা দিৱস পালন কৰে। এই দিৱসে খাদ্য সুৰক্ষাক এক যৌথ অধিকাৰ আৰু দায়িত্ব হিচাপে তুলি ধৰে আৰু সমূহীয়া পদক্ষেপ গ্ৰহণৰ বাবে শক্তিশালী সুযোগ প্ৰদান কৰে। এই বছৰ বিশ্ব খাদ্য সুৰক্ষা দিৱসৰ মূল বিষয়বস্তু হৈছে- **সমস্যাৰ পৰা সমাধানলৈ সকলো ঠাইতে নিৰাপদ খাদ্য**। এই বিষয়বস্তুৱে খেতি পথাৰৰ পৰা খাদ্যৰ থালিলৈকে পৰিচ্ছন্নতা আৰু বৈজ্ঞানিক পদ্ধতিৰ জৰিয়তে খাদ্য সুৰক্ষা নিশ্চিত কৰাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে।

0000000

চলিত বছৰৰ কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ, চি বি এছ ইৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ বিভিন্ন বিষয়ৰ নিষ্পত্তি আৰু পৰীক্ষা বহীৰ পুনৰ মূল্যায়নৰ বাবে প'ৰ্টেলত আবেদন দাখিলৰ আজি অন্তিম দিন। সামাজিক মাধ্যমৰ এটা বাৰ্তাত চি বি এছ ইয়ে প্ৰকাশ কৰিছে যে এই প'ৰ্টেল মাজনিশা পৰ্যন্ত মুকলি থাকিব আৰু নিৰ্দিষ্ট সময়ৰ ভিতৰতে শিক্ষাৰ্থীসকলে সম্পূৰ্ণ আবেদন দাখিল কৰিব পাৰিব।

0000000

চলিত বৰ্ষৰ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰৰ বাবে চৰকাৰে আবেদন আহ্বান কৰিছে। অহা ৩১ জুলাই আবেদন জমা দিয়াৰ শেষ দিন ধাৰ্য কৰা হৈছে। সাহসিকতা, সমাজসেৱা, পৰিৱেশ, ক্ৰীড়া, কলা-সংস্কৃতি আৰু বিজ্ঞান প্ৰযুক্তিৰ লগতে বিভিন্ন ক্ষেত্ৰত প্ৰদৰ্শন কৰা ব্যতিক্ৰমী কৰ্মৰ বাবে ৰাষ্ট্ৰপতিৰ জৰিয়তে শিশুসকলক এই সন্মানীয় বঁটা প্ৰদান কৰি অহা হৈছে। AWARDS.GOV.INত ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলৰ জৰিয়তে ইয়াৰ বাবে আবেদন কৰিব পাৰিব বুলি মহিলা আৰু শিশু কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

0000000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কৈছে যে, ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজত ৪ বছৰৰ বিৰতিত যৌথ আয়োগ গঠন কৰা হৈছে। তেওঁ কয়, যে এই সময়ছোৱাত দ্বিপাক্ষিক সম্পৰ্কক বিশেষ মাত্ৰা দিয়াৰ বাবে এই আয়োগ গঠনৰ প্ৰয়োজন হৈছে। নতুন দিল্লীত আজি অনুষ্ঠিত ভাৰত-ইণ্ডোনেছিয়া যৌথ আয়োগৰ বৈঠকত সহ-অধ্যক্ষতা কৰি ড০ জয়শংকৰে এইদৰে কয়। তেওঁ কয়, যে দুয়োখন দেশে যোৱা বছৰ দ্বিপাক্ষিক সম্পৰ্কৰ ৭৫ বছৰ উদযাপন কৰিছে। তেওঁ সমগ্ৰ অঞ্চলটোত ৰাজনৈতিক, প্ৰতিৰক্ষা, সুৰক্ষা, সামুদ্ৰিক বিষয়, বাণিজ্য, বিনিয়োগ, স্বাস্থ্য, ঔষধ, খাদ্য সুৰক্ষা, পৰ্যটন, শিক্ষা আৰু সাংস্কৃতিক সহযোগিতাকে ধৰি সামগ্ৰিক দ্বিপাক্ষিক সম্পৰ্ক গভীৰ কৰি তোলাৰ বাবে আগ্ৰহী বুলিও বিদেশ মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

0000000

অন্ধ্ৰপ্ৰদেশৰ ক্ষমতাত থকা তেলেগু দেশম পাৰ্টিয়ে ১৮ জুনত হ'বলগীয়া ৰাজ্যসভা নিৰ্বাচনৰ বাবে তিনিগৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। দলৰ ৰাষ্ট্ৰীয় সভাপতি তথা মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৱে প্ৰাৰ্থী তালিকা ঘোষণা কৰে। সেই অনুসৰি উদ্যোগপতি ছানা সতীশ, শিক্ষাব্ৰতী তথা ভাষ্যম শৈক্ষিক প্ৰতিষ্ঠানৰ অধ্যক্ষ ভাষ্যম

ৰামকৃষ্ণ আৰু তেলেগু দেশম পাৰ্টিৰ সামাজিক মাধ্যম গোটৰ মুৰব্বী চিন্তাকয়’লা বিজয়ক প্ৰাৰ্থিত্ব দিয়া হৈছে। ৰাজ্যখনত ৰাজ্যসভাৰ চাৰিখন আসন খালী হৈ আছে। মিত্ৰতাৰ নিয়ম অনুসৰি এখন আসন জনসেনা পাৰ্টিক এৰি দিয়া হৈছে। দলটোৱে এখন আসনৰ বাবে লিঙ্গামানেনি ৰমেশক প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে।

০০০০০০০

নিউ চণ্ডীগড়ত চলি থকা ভাৰত আৰু আফগানিস্তানৰ মাজৰ টেষ্ট মেচত ভাৰতে কালি সংগ্ৰহ কৰা ৩৬৮ ৰানৰ পৰা খেলি আজি বাতৰি যুগুতোৱাৰ পৰলৈকে প্ৰথম ইনিংছত ১২৭ অভাৰত ৮ টা উইকেট হেৰুৱাই ৫৬৪ ৰান কৰিছে। আজি দ্বিতীয় দিনা ভাৰতে এইপৰ্যন্ত ৫টা উইকেট হেৰুৱায়। কালি ১০০ ৰান কৰি কে এল ৰাহুল আউট হৈছিল। আনহাতে ৮১ ৰান কৰি ছাই সূদৰ্শন আৰু ২৪ ৰান কৰি যশস্বী জয়ছোৱালে কালি বিদায় লয়। অধিনায়ক শুভমন গিলে কালিৰ ১০৩ ৰানৰ পৰা খেল আৰম্ভ কৰি ১২৬ ৰান কৰি আজি আউট হয়। আজি আউট হোৱা ঋষভ পণ্টে ৮১ ৰানৰ বৰঙণি আগবঢ়ায়।

০০০০০০০

সমাপ্ত